দৈনিক অসম (৫/২/১৯)

# ছয়দুৱাৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক শোভাযাত্ৰাৰে মুখৰিত গহপুৰ নগৰ




নিজা বাতৰি দিওঁতা

**গহপুৰ, ৩ ফেব্ৰুৱাৰী ঃ** গহপুৰ মহকুমাৰ একমাত্ৰ পূৰ্ণাংগ উচ্চ শিক্ষানুষ্ঠান ছয়দুৱাৰ মহাবিদ্যালয়ৰ চলিত বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ উপলক্ষে কালি দিনৰ ১১ বজামানত উলিওৱা বাৰে ৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাই উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। মহাবিদ্যালয়খনৰ সাংস্কৃতিক শোভাযাত্ৰাত শিক্ষাৰ্থীসকলে প্ৰদৰ্শন কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ বৰ্ণিল কৃষ্টি-সংস্কৃতিৰ লগতে একাধিক প্ৰতীক পটে গহপুৰ নগৰৰ পৰিৱেশ মুখৰিত কৰি তোলে। গহপুৰ নগৰৰ মাজেৰে শৃংখলাবদ্ধভাৱে উলিওৱা শোভাযাত্ৰাত বৃহত্তৰ অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ বড়ো, মিচিং আদি বিভিন্ন জাতি-জনগোষ্ঠীৰ জাতীয় সাজ-পোছাক পৰিধানেৰে শিক্ষাৰ্থীসকলে প্ৰদৰ্শন কৰা সাতামপুৰুষীয়া কৃষ্টি-সংস্কৃতিৰ প্ৰদৰ্শনে সমন্বয় আৰু ভাতৃত্ববোধৰ সাতোৰঙী ৰামধেনুৰ সৃষ্টি কৰি গহপুৰ নগৰত সম্প্ৰতিৰ এনাজৰী দাঙি ধৰে। তদুপৰি বীৰাংগনা কনকলতা বৰুৱা, বীৰ মুকুন্দ কাকতিৰ দেশৰ স্বাধীনতাৰ বাবে আত্মবলিদান, স্বচ্ছতা, কন্যা সুৰক্ষা, অসমৰ মুগা শিল্প আদি বিষয়ৰ মনোগ্ৰাহী প্ৰতীকপটে শোভাযাত্ৰাটোক আকৰ্ষণীয় মাত্ৰা প্ৰদান কৰে।

Scanned with Oken Scanner